

# খেল-মাটি



আমি অসমৰ জনগণ
গুৱাহাটী, শুকুৰবাৰ, ১৩ অক্টোবৰ, ২০১৭



এক ফটো ছেচনত বিশ্ব যুৱ আৰ্চাৰী চেম্পিয়নশ্বিপত ভাৰতৰ বিজয়ী দলৰ সৈতে কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী ৰাজ্যবৰ্ধন সিং ৰাঠোৰ, নতুন দিল্লীত

ভাৰত-অষ্ট্ৰেলিয়া টি-২০ শৃংখলা

# আজি কেংগাৰু বাহিনীৰ বিৰুদ্ধে নিৰ্ণায়ক মেচ বিৰাট বাহিনীৰ

**কানপুৰ, ১২ অক্টোবৰ ঃ** বিগত এমাহ ধৰি ভ্ৰমণকাৰী দল অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে টীম ইণ্ডিয়াই এদিনীয়াৰ লগতে টি-২০ মেচতো দমন অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। কিন্তু বিগত মঙলবাৰে গুৱাহাটীত অনুষ্ঠিত তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচত ভ্ৰমণকাৰী দলটোৰ জেছন বেহৰেনড্ৰফৰ চাৰিটাকৈ অ'ভাৰ ভাৰতীয় বেটছমেনসকলৰ বাবে আটাইতকৈ ভয়ানক হিচাপে প্ৰমাণিত হৈছে। উক্ত খেলখনত জেছনৰ বলৰ সন্মুখত ভাৰতৰ তাৰকা বেটছমেনসকল ক্ৰমে ৰোহিত শৰ্মা, বিৰাট কোহলি, মনীষ পাণ্ডে আৰু শিখৰ ধাৱনে এক প্ৰকাৰ অসহায় হৈ পৰে। ২৭ বছৰীয়া বাওহতীয়া এইগৰাকী বলাৰ অষ্ট্ৰেলিয়াৰ নিউ ছাউথ ৱেলছৰ নিবাসী আৰু তেওঁৰ সৈতে ডব্লিউ ডব্লিউ এফ অৰ্থাৎ বিশ্ব ৰেছলিং এণ্টাৰটেইণ্টমেণ্টৰ সৈতে কোনো সম্পৰ্ক নাই। কিন্তু গুৱাহাটীত অনুষ্ঠিত দ্বিতীয়খন টি-২০ ৰ পিছত অষ্ট্ৰেলিয়াৰ এইগৰাকী বলাৰক সাংবাদিকসকলে ডব্লিউ ডব্লিউ ইৰ তাৰকা জন ছিনাৰ সৈতে তুলনা কৰিছে। বেহৰেনড্ৰফৰ এই শক্তিশালী বলিং প্ৰদৰ্শনৰ পিছত কাইলৈ হায়দৰাবাদত অনুষ্ঠিত হ'বলগীয়া তিনিখনীয়া টি-২০ শৃংখলাৰ অন্তিম তথা তৃতীয়খন টি-২০ মেচত ভ্ৰমণকাৰী দলটোৰ বাবে ট্ৰাম্পকাৰ্ড হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে। তদুপৰি ভাৰতীয় বেটছমেনসকলে এদিনীয়া ক্ৰিকেট শৃংখলাত ভ্ৰমণকাৰী দলটোৰ হৈ আকৰ্ষণীয় বলিং প্ৰদৰ্শন কৰা নাথন কুল্টাৰ নাইলৰ বিৰুদ্ধেও সতৰ্ক হৈ থকাটো অতিকৈ প্ৰয়োজন। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাঁচখনীয়া এদিনীয়া শৃংখলাখন ৪-১ ৰ ব্যৱধানত জয়লাভ কৰি ভাৰতে আই চি চিৰ এদিনীয়া ক্ৰিকেট ৰেংকিঙত শীৰ্ষস্থান দখল কৰিছে যদিও টি-২০ ত টীম ইণ্ডিয়াই পঞ্চম আৰু অষ্ট্ৰেলিয়াই ষষ্ঠ স্থানত আছে। কিন্তু সুদীৰ্ঘ পাঁচ বছৰৰ পিছত ভাৰতক প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ ক্ৰিকেট ষ্টেডিয়ামত পৰাস্ত কৰি কেংগাৰু বাহিনী আত্মবিশ্বাসী হৈ পৰিছে। তদুপৰি অষ্ট্ৰেলিয়াৰ অধিনায়ক ডেভিদ ৱাৰ্নাৰেও অন্তিমখন টি-২০ ভাৰতৰ বলাৰসকলৰ মূৰৰ কামোৰণি হৈ পৰাৰ সম্ভাৱনা আছে। অধিনায়ক বিৰাট কোহলিৰ নেতৃত্বত টীম ইণ্ডিয়াই বিগত ডেৰটা বছৰত বিশ্বৰ শ্ৰেষ্ঠ ক্ৰিকেট দলসমূহৰ বিৰুদ্ধে মূৰৰ কামোৰণি স্বৰূপ হৈ পৰিছে আৰু বিৰাট কোহলিয়ে দলক প্ৰত্যেকখন খেলতেই জয়লাভ কৰাৰ বাবে এক অভ্যাসত পৰিণত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। বিৰাটৰ নেতৃত্বত টীম ইণ্ডিয়াই উপৰ্যুপৰি ক্ৰিকেটৰ আটাইকেইটা সংস্কৰণতেই বিৰোধী দলসমূহক বিধ্বস্ত কৰিবলৈ সক্ষম হৈছে আৰু কাইলৈ অনুষ্ঠিত হ'বলগীয়া শৃংখলাখনৰ অন্তিমখন টি-২০ ত জয়লাভ কৰি বিৰাট বাহিনীয়ে শৃংখলাখন দখল কৰাৰ চেষ্টা কৰিব। সেয়েহে আৰম্ভণিৰ পৰাই বিৰাট বাহিনীৰ বেটছমেনসকলে ভ্ৰমণকাৰী দলটোৰ বিৰুদ্ধে আক্ৰমণাত্মক ৰূপ ধাৰণ কৰিব। ৰোহিত শৰ্মা, শিখৰ ধাৱন, বিৰাট কোহলি, মনীষ পাণ্ডে, এম এছ ধোনী আৰু জছপ্ৰীত বুমৰাহৰ দৰে শক্তিশালী বেটিংক্ৰম থকা টীম ইণ্ডিয়াৰ বলিং ক্ৰমো যথেষ্ট শক্তিশালী। সেয়েহে কালিৰ খেলখনত অষ্ট্ৰেলিয়াৰ তুলনাত ভাৰতক ফেভাৰিট হিচাপে গণ্য কৰা হৈছে।



## চাংঘাই মাষ্টাৰ্ছৰ পৰৱৰ্তী ৰাউণ্ডত নাডাল-ফেডেৰাৰ



**চাংঘাই, ১২ অক্টোবৰ ঃ** টেনিছ জগতৰ দুজনকৈ কিংবদন্তী তাৰকা ক্ৰমে ৰাফেল নাডাল আৰু ৰ'জাৰ ফেডেৰাৰে চাংঘাই মাষ্টাৰ্ছ টেনিছ টুৰ্ণামেণ্টৰ পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। বিশ্বৰ শীৰ্ষ বাছনিৰ ৰাফেল নাডালে বুধবাৰে টুৰ্ণামেণ্টখনত প্ৰথম ৰাউণ্ডত জাৰেড ডোনাল্ডছন আৰু ফেডেৰাৰে ডিয়েগ' ছাটজায়মেনক ধৰাশায়ী কৰি অন্তিম ১৬ ত নিজৰ স্থান নিশ্চিত কৰিছে। যদি এই টুৰ্ণামেণ্টখনত নাডালে খিতাপ অৰ্জন কৰে আৰু ফেডেৰাৰে ছেমিফাইনেল পৰ্যন্ত আগবাঢ়িবলৈ সক্ষম নহয় তেনেহ'লে স্পেইনৰ তাৰকাগৰাকীয়ে শীৰ্ষ স্থানৰে চলিত বৰ্ষ সমাপ্ত কৰিব।

## দ্বাদশ এছিয়ান লন বলত সোণৰ পদক অৰ্জন সৰুপথাৰৰ নয়নমণিৰ

**জনগণ ক্ৰীড়া সেৱা, ধনশিৰি, ১২ অক্টোবৰ ঃ** চাৰি অক্টোবৰৰ পৰা এক অক্টোবৰলৈ নতুন দিল্লীৰ আৰ কে স্প'ৰ্টছ কমপ্লেক্সত অনুষ্ঠিত হোৱা দ্বাদশ এছিয়ান লন বল প্ৰতিযোগিতাত ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰা অসমৰ নয়নমণি শইকীয়াই সুন্দৰ প্ৰদৰ্শনেৰে অ'মেন ত্ৰিপলছত সোণৰ পদক অৰ্জন কৰি অসমৰ লগতে ভাৰতলৈও সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে উক্ত প্ৰতিযোগিতাত ভাৰত, শ্ৰীলংকা, চীন, হংকং, পাকিস্তান, মালয়েছিয়া, থাইলেণ্ডৰ বহু খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। এই প্ৰতিযোগিতাত গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ এক নং টেঙাহোলা গাঁৱৰ নিবাসী তথা দ্বিতীয় অসম বন সুৰক্ষা বাহিনীৰ কনিষ্টবল নয়নমনি শইকীয়াই ভাৰতলৈ সোণৰ পদক কঢ়িয়াই আনে। লন বলত এগৰাকী সুদক্ষ খেলুৱৈ হিচাপে পৰিচিত নয়নমনিয়ে ইয়াৰ পূৰ্বে স্কটলেণ্ড আৰু দিল্লীত অনুষ্ঠিত কমনৱেলথ গেমছটো ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। নয়নমনি শইকীয়া গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ এক নং টেঙাহোলা গাঁৱৰ নিবাসী ভাস্কৰজ্যোতি গোহাঁইৰ পত্নী আৰু উমেশ গোহাঁই আৰু জ্যোস্না ফুকন গোহাঁইৰ বোৱাৰী। কৰ্মসূত্ৰে বৰ্তমান গুৱাহাটীত বাস কৰে নয়নমনি শইকীয়া। নয়নমনিৰ সাফল্যত উৎফুল্লিত ধনশিৰিবাসী।

## মাকাওক ধৰাশায়ী কৰি এছিয়া কাপলৈ যোগ্যতা ভাৰতীয় ফুটবল দলৰ

**বাংগালুৰু, ১২ অক্টোবৰ ঃ** ভাৰতে বুধবাৰে মাকাওক ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰি ২০১৯ চনত অনুষ্ঠিত হ'বলগীয়া এছিয়া কাপ ফুটবল টুৰ্ণামেণ্টত যোগ্যতা অৰ্জন কৰিছে। ভাৰতৰ হৈ ৰভলিন বৰ্জাৰ্ছে খেলৰ ২৮ মিনিটত এটা গ'ল দিয়াৰ পিছত অধিনায়ক সুনীল ছেত্ৰীয়ে খেলৰ ৬০ মিনিটত আৰু জে জে লালপেখুলাই খেলৰ অতিৰিক্ত সময়ত তৃতীয়টো গ'ল দিবলৈ সক্ষম হয়। মাকাওৰ ডিফেণ্ডাৰ মান পাই হুৱে ৭০ মিনিটত এটা আত্মঘাতী গ'ল দিয়াৰ ফলত ভাৰতে এটা গ'লৰ সংখ্যা লাভ কৰে। মাকাওৰ হৈ একমাত্ৰ গ'লটো পৰিশোধ কৰে খেলৰ ৩৭ মিনিটত নিকুলাছ মাৰিঅ' ডে আলমেদ্দা টাৰাঅ'ৰে। উল্লেখ্য যে এইবাৰকে লৈ ভাৰতে চতুৰ্থবাৰৰ বাবে এছিয়া কাপত কোৱালিফাই কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে ছবছৰ পূৰ্বে অন্তিমবাৰৰ বাবে টুৰ্ণামেণ্টখনত খেলিছিল। তথা ১৯৮৪ চনত ভাৰতে এই টুৰ্ণামেণ্টখনত পোনপটীয়াকৈ প্ৰৱেশ কৰিছিল। তদুপৰি ১৯৬৪ চনত ইজৰাইলত অনুষ্ঠিত এছিয়া কাপ ফুটবল টুৰ্ণামেণ্টত ৰাৰ্ণাছআপৰ সন্মানেই বৰ্তমানলৈ টুৰ্ণামেণ্টখনত ভাৰতে আগবঢ়োৱা সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন।



## ৰামধেনু ক্লাবৰ ফাইনেলত প্ৰৱেশ

**জনগণ ক্ৰীড়া সেৱা, বঙাইগাঁও, ১২ অক্টোবৰ ঃ** বঙাইগাঁৱৰ বিদ্যাপুৰ আঞ্চলিক আক্ৰাছুৰ উদ্যোগত তথা আঞ্চলিক কোচ ৰাজবংশী মহিলা সমিতিৰ সহযোগত স্থানীয় ৰাজা অজিত নাৰায়ণ দেৱ মিনি ষ্টেডিয়ামত চলি থকা লক্ষ্মী দেৱী আৰু প্ৰমোদানন্দ বৰুৱা সোঁৱৰণী এককালীন প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেল খেলত বাহিৰা ছেংমাৰীৰ ৰামধেনু ক্লাবে শিমলাগুৰীৰ সমাজ সেৱক সংঘক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। কাইলৈ দ্বিতীয়খন ছেমিফাইনেলত ব্লষ্টাৰ জে এফ চিয়ে নৰ্থ তিলকগাঁৱৰ নিজুম ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।



ছাই খেলপথাৰত অনুশীলন অনূৰ্ধ-১৭ বিশ্বকাপ ফুটবল টুৰ্ণামেণ্টৰ অন্যতম দল ফ্ৰান্সৰ, বৃহস্পতিবাৰে

## ছেমিফাইনেলত ঢোলকুছি ট্ৰাইবেল সংঘ

**জনগণ ক্ৰীড়া সেৱা, উত্তৰ কামৰূপ, ১২ অক্টোবৰ ঃ** ঢোলকুছিত সত্যকাম সংঘ আৰু যুৱ সমন্বয় উন্নয়ন সমিতিৰ উদ্যোগত স্থানীয় সংঘৰ খেল পথাৰত চলি থকা ধাৰেশ্বৰ দাস আৰু নৰেশ্বৰ দাস সোঁৱৰণী প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি চতুৰ্থ কোৱাৰ্টাৰ ফাইনেল খেলত অনলাইন এফ চি আৰু ঢোলকুছি ট্ৰাইবেল সংঘৰ মাজত অনুষ্ঠিত হয়। এই উত্তেজনাময় খেলখন ১-১ গ'লত ড্ৰ হোৱাত ট্ৰাইবেকাৰ পদ্ধতিত ৪-২ গ'লত ঢোলকুছিট্ৰাইবেল সংঘ জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰে। খেলখন পৰিচালনা কৰে ৰেফাৰী জয়ন্ত মাধৱ কলিতা, পহৰেদ আলী আহমেদ, সতীশ ডেকা আৰু কমল বড়োৱে।



### ফিফা অনূৰ্ধ্ব বিশ্বকাপ

### আজিৰ খেল

কষ্টাৰিকা *বনাম* ইৰাণ
স্থান ঃ গোৱা, সময় ঃ আবেলি ৫ বজাত

নাইজাৰ *বনাম* ব্ৰাজিল
স্থান ঃ গোৱা, সময় ঃ নিশা ৮ বজাত

গুয়েনা *বনাম* জাৰ্মানী
স্থান ঃ কোচি, সময় ঃ আবেলি ৫ বজাত

স্পেইন *বনাম* উত্তৰ কোৰিয়া
স্থান ঃ কোচি, সময় ঃ নিশা ৮ বজাত

## জজ খেলপথাৰত দুই নৱেম্বৰৰ পৰা ডালমিয়া চিমেণ্ট্‌ছ সদৌ ভাৰত ভেটাৰেণ ফুটবল চেম্পিয়নশ্বিপ

**গুৱাহাটী, ১২ অক্টোবৰ ঃ** গুৱাহাটীৰ জজ খেলপথাৰত খেলিবলৈ নামিব ঐতিহ্যমণ্ডিত ইষ্ট বেংগল ক্লাব। অৱশ্যে মূল দল নহয়, ৪০ উৰ্দ্ধৰ এখন ভেটাৰেণ ফুটবল প্ৰতিযোগিতাতহে অংশ ল'ব দেশৰ আগশাৰীৰ দলটোৰ বয়স্ক খেলুৱৈসকলে। ইষ্ট বেংগলৰ সৈতে এইবাৰ প্ৰতিদ্বন্দ্বীতাত নামিব দিল্লী প্ৰবীণ খেলুৱৈ একাদশ, ভূটান একাদশ, নাগালেণ্ড ফুটবল ক্লাব, যোৰাবাৰৰ বিজয়ী মণিপুৰ প্ৰবীণ একাদশ আৰু ৰাৰ্ণাছআপ, কোকৰাঝাৰ ফুটবল ক্লাব, শ্বিলং ফ্ৰেণ্ডছ ইউনাইটেড, শিলচৰ এফ চি, দুলীয়াজান এফ চি, নাৰেংগী এফ চি, মহাৰাণা ক্লাব আৰু আয়োজক ইউনাইটেড ব্ৰাডাৰ্ছ ক্লাব। ইউনাইটেড ব্ৰাডাৰ্ছে অহা ২ৰ পৰা ৫ নৱেম্বৰলৈ চতুৰ্থ বৰ্ষৰ বাবে জজ খেলপথাৰত অনুষ্ঠিত কৰিব ডালমিয়া চিমেণ্ট্‌ছ সদৌ ভাৰত ভেটাৰেণ ফুটবল চেম্পিয়নশ্বিপ। বৃহস্পতিবাৰে এখন সংবাদমেলত ক্লাবটোৰ বিষয়ববীয়াসকলে জনোৱা মতে এইবাৰৰ প্ৰতিযোগিতাখনো পূৰ্বৰ দৰেই বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব। ইতিমধ্যে ফুটবল প্ৰতিযোগিতা আয়োজনৰ ক্ষেত্ৰত ব্যতিক্ৰম দৃষ্টান্ত দাঙি ধৰা ইউনাইটেড ব্ৰাডাৰ্ছৰ এই প্ৰতিযোগিতা ২ নৱেম্বৰৰ সন্ধিয়া ৫ বজাত উদ্বোধন কৰা হ'ব। মুঠ ১২ টা দলৰ মাজত লীগ পদ্ধতিত হোৱা খেলৰ অন্তত চাৰিটা গ্ৰুপৰ পৰা শীৰ্ষ স্থানপ্ৰাপ্ত দলৰ মাজত ৫ নৱেম্বৰৰ সন্ধিয়া ছেমিফাইনেল আৰু তাৰপিছত ফাইনেল অনুষ্ঠিত হ'ব। উল্লেখ্য পূৰ্বৰ দৰে এইবাৰৰ প্ৰতিযোগিতাখনৰ ব্ৰেণ্ড এম্বেচাদৰ হৈছে জুবিন গাৰ্গ। ফাইনেলৰ প্ৰাকমুহূৰ্তত জুবিন একাদশ আৰু সাংবাদিক একাদশৰ মাজত এখন প্ৰীতি খেল অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে। তদুপৰি প্ৰতিযোগিতাখনৰ কালত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাজানো আগশাৰীৰ প্ৰবীণ খেলুৱৈক ইউনাইটেড ব্ৰাডাৰ্ছ ক্লাবে সম্বৰ্ধনা জ্ঞাপন কৰিব। টুৰ্ণামেণ্টখনৰ কেপ্টেইন্‌ছ মীট অহা ১৫ অক্টোবৰত গুৱাহাটীৰ হোটেল শ্বুলীনত অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে। এইবাৰৰ প্ৰতিযোগিতাত মূল পৃষ্ঠপোষকৰ দায়িত্ব লৈছে ডালমিয়া চিমেণ্ট্‌ছে। ইয়াৰ লগতে বিভিন্ন প্ৰতিষ্ঠানেও প্ৰতিযোগিতাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে।

## ডিগবৈত চি বি এছ ই পূব সংমণ্ডল আন্তঃবিদ্যালয় ফুটবল আৰম্ভ

### ১৭ বছৰ, ১৯ বছৰ অনূৰ্ধ্ব দুটা শাখাত ৩১ টা দলৰ যোগদান

**জনগণ ক্ৰীড়া সেৱা, ডিগবৈ, ১২ অক্টোবৰ ঃ** আজিৰে পৰা ডিগবৈ জুবিলী খেলপথাৰত আৰম্ভ হৈছে চি বি এছ ই ইষ্ট জ'ন আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতা। এই উপলক্ষে চি বি এছ ই ইষ্ট জ'ন ক্লাবষ্টাৰৰ সৌজন্যত লিটল ষ্টাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ আতিথ্যত আয়োজন কৰা ১৭ বছৰ আৰু ১৯ বছৰ অনূৰ্ধ্ব ফুটবল প্ৰতিযোগিতাখন আজি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে ডিগবৈ বিধানসভা সমষ্টিৰ বিধায়ক সুৰেন ফুকনে। প্ৰতিযোগিতাখনত অসমৰ উপৰিও মণিপুৰ, নাগালেণ্ড, মিজোৰামকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ চিবিএছই ব'ৰ্ডৰ বিদ্যালয়সমূহৰ মুঠ ২৫ খন বিদ্যালয়ে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিছে। পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া ফুটবল প্ৰতিযোগিতাখনত প্ৰাক্তন ফুটবল খেলুৱৈ বিপুল কুমাৰ দাস, পৰ্যবেক্ষক হিচাপে মনিষ ধাণ্ডাৰে, লিটল ষ্টাৰ স্কুলৰ অধ্যক্ষ দেৱজিৎ নেওগ, প্ৰশাসক স্বৰদিন্দু দাস উপস্থিত থাকে। আজিৰ দিনটোত ১৯ বছৰ অনূৰ্ধ্বৰ খেলত ডিগবৈৰ লিটল ষ্টাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে তিনিচুকীয়া পাইনউদ ৰেছিডেনচিয়েল স্কুলক ৪-২, তিনিচুকীয়া কেন্দ্ৰীয় বিবেকানন্দ বিদ্যালয়ে গুৱাহাটী হলিহুম স্কুলক ৪-০, নাগালেণ্ডৰ জি-ৰিঅ' বিদ্যালয়ে গুৱাহাটীৰ ৰয়েল গ্ল'বেল স্কুল ৩-১, গুৱাহাটী এন পি এচ ইণ্টাৰনেচনেল স্কুলে তিনিচুকীয়া হিন্দুস্তানী কেন্দ্ৰীয় বিদ্যালয়ক ৭-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইপিনে ১৭ বছৰ অনূৰ্ধ্বৰ প্ৰতিযোগিতাত নাগালেণ্ডৰ সৈনিক স্কুলে ডিগবৈ দিল্লী পাব্লিক স্কুলক ৯-০ গ'লত পৰাস্ত কৰে। ইয়াৰে গুৱাহাটী কাজিৰঙা ইংলিচ একাডেমীয়ে ৱাক অ'ভাৰ লাভ কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

## ড'পিং বাধা দিয়াৰ বাবে এথলীটৰ শৰীৰত স্থাপন কৰা হ'ব বিশেষ মাইক্ৰ'চিপ !

**মাদ্ৰিদ, ১২ অক্টোবৰ ঃ** খেলক ড'পিঙৰ হাতোৰাৰ পৰা মুক্ত কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সংঘৰ মুখ্য কাৰ্যবাহী বিষয়া মাইক মিলাৰে খেলুৱৈসকলৰ শৰীৰত বিশেষ মাইক্ৰ'চিপ স্থাপন কৰাৰ পৰামৰ্শ দিছে। এই ক্ষেত্ৰত তেওঁ দাবী কৰিছে যে এই মাইক্ৰ'চিপৰ জৰিয়তে খেলুৱৈসকলে গ্ৰহণ কৰা নিষিদ্ধ দ্ৰব্যৰ চিনাক্ত অতি সহজেই কৰাটো সম্ভৱ হ'ব। চলিত সপ্তাহত ড'পিং বাধা দিয়াৰ বাবে অনুষ্ঠিত এখন সন্মিলনত তেওঁ এই পৰামৰ্শ আগবঢ়ায়। মিলাৰে কয় যে একাংশ লোকে তেওঁৰ এই পৰামৰ্শ গ্ৰহণ নকৰিব যদিও তেওঁ এগৰাকী পশুপ্ৰেমী আৰু নিজৰ পোহনীয়া পশুৰ শৰীৰত এই চিপ স্থাপন কৰাৰ বাবে সাজু বুলি জানিবলৈ দিয়ে। সেয়েহে মানুহৰ শৰীৰতো এই বিশেষ মাইক্ৰ'চিপ কিয় স্থাপন কৰা নহ'ব বুলি প্ৰশ্ন কৰে। তদুপৰি তেওঁ দাবী কৰে যে এই পদ্ধতি পৰীক্ষণ কৰাৰ বাবে সম্পূৰ্ণভাৱে প্ৰস্তুত। বৰ্তমান ব্যৱস্থা থকা পদ্ধতিৰ জৰিয়তে কিছু সময়ৰ বাবেহে এথলীটসকলৰ শৰীৰত নিষিদ্ধ দ্ৰব্য উপস্থিতিৰ বিষয়ে জানিব পাৰি, কিন্তু এই বিশেষ মাইক্ৰ'চিপ জৰিয়তে যিকোনো বিষয়েও জনাটো সম্ভৱ হ'ব বুলি দাবী কৰে। তেওঁৰ এই পৰামৰ্শক বহুতেই খণ্ডন কৰি ব্যক্তিগত স্বাধীনতাৰ উলংঘন বুলি অভিহিত কৰিছে। ব্ৰিটেইনৰ ড'পিং বিৰোধী সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া নিকলে ষ্টেপচিডে এই পৰামৰ্শ নাকচ কৰি কৈছে যে মাইক্ৰ'চিপ স্থাপন এথলীটসকলৰ ব্যক্তিগত স্বাধীনতাৰ উলংঘন। এই পদ্ধতি ব্যৱহাৰ কৰি উৎকৃষ্ট ফলাফলৰ পক্ষপাতি কিন্তু কোনো ক্ষেত্ৰতেই ইয়াক গেৰাণ্টি দিব নোৱাৰি যে ইয়াৰ অপব্যৱহাৰ নহ'ব।



## শিমলুগুৰিত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ফুটবল প্ৰতিযোগিতা

**জনগণ ক্ৰীড়া সেৱা, নাজিৰা, ১২ অক্টোবৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ সৌজন্যত আৰু স্থানীয় ৰাইজৰ সহযোগত নিমাইগড় হাবি ৰাজহুৱা খেলপথাৰত স্থানীয় প্ৰয়াত ৰজনী হাতীমুৰীয়া আৰু ৰহেশ্বৰী হাতীমুৰীয়া সোঁৱৰণী এখন ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। চলিত বৰ্ষৰ ২২ অক্টোবৰৰ পৰা আৰম্ভ হ'বলগীয়া এই ফুটবল প্ৰতিযোগিতাখনত যোগদানৰ অন্তিম সময় ১৬ অক্টোবৰ আৰু যোগদান মাছুল সাতশ টকা বুলি উদ্যোক্তা সমিতিয়ে জানিবলৈ দিছে। সবিশেষ জানিবলৈ অঃজাঃযুঃছাত্ৰ পৰিষদৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ৰূপম শইকীয়া অথবা ৯৫৭৭০৮২১৬০, ৮৬৩৮৫৩৪৪৩৪, ৯৮৫৯১৯২৩৯৫ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।



## ফিফা বিশ্বকাপ ফুটবলত যোগ্যতা অৰ্জন ফ্ৰান্স-পৰ্তুগালৰ

**পেৰিছ, ১২ অক্টোবৰ ঃ** নিজৰ নিজৰ বিশ্বকাপ কোৱালিফায়াৰ মেচত জয়লাভ কৰি ফ্ৰান্স আৰু পৰ্তুগালে আগন্তুক বৰ্ষত ৰাছিয়াত অনুষ্ঠিত হ'বলগীয়া ফিফা বিশ্বকাপ টুৰ্ণামেণ্টত প্ৰৱেশ কৰিছে। ফ্ৰান্সে নিজৰ কোৱালিফায়াৰ মেচত বেলাৰুছক ২-১ ৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে পৰ্তুগালে ছুইজাৰলেণ্ডক ২-১ ব্যৱধানত ধৰাশায়ী কৰে। ফ্ৰান্সৰ ষ্টেট দ্য ফ্ৰান্স ফুটবল ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ 'এ'ৰ এখন খেলত ফ্ৰান্সে আৰম্ভণিৰ পৰাই শক্তিশালী প্ৰদৰ্শন আগবঢ়াবলৈ সক্ষম হয় আৰু দলটোৰ হৈ ২৭ মিনিটত গ্ৰীজমেনে এটা আৰু খেলৰ ৩৩ মিনিটত গিৰউডে দ্বিতীয়টো গ'ল দি খেলখনত ফ্ৰান্সক জয় কৰায়। আনহাতে বেলাৰুছৰ হৈ চাৰকাই খেলৰ ৪৪ মিনিটত একমাত্ৰ গ'লটো পৰিশোধ কৰে।